মন কি বাত

খণ্ড - 9



MANN KI BAAT
VOL.9

Authors
Sarda Mohan and Tanushree Banerji

Illustrations and Cover Art
Dilip Kadam

Assistant Artist
Ravindra Mokate

Production
Amar Chitra Katha

Colourists
Prakash Sivan and Prajeesh V. P.

Layout Artist
Akshay Khadilkar

Published by
Amar Chitra Katha Pvt. Ltd

ASSAMESE

ISBN – 978-93-6127-866-2

Amar Chitra Katha Pvt. Ltd, January 2024

© Ministry of Culture, Govt of India, January 2024
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.

You can now get ACK stories as part of your classroom with **ACK Learn**, a unique learning platform that brings these stories to your school with a range of workshops. Find out more at **www.acklearn.com** or write to us at **acklearn@ack-media.com**.

মৰমৰ শিশুসকল,

তোমালোকৰ দৰে যুৱ প্ৰজন্মই নিজে পচন্দ কৰা কাৰ্যত সফল হোৱা দেখিলে মই অত্যন্ত সুখী হও। সেয়া এটা শৈক্ষিক বা পেছাদাৰী পচন্দ নহ'বও পাৰে – কিন্তু তোমালোকে নিজা পচন্দ অনুসৰি কোনো দিশত কঠোৰ পৰিশ্ৰম কৰি দক্ষতা বৃদ্ধিৰ চেষ্টা কৰা দেখিলে মই আমাৰ দেশৰ ভৱিষ্যতৰ ক্ষেত্ৰত নিশ্চিত হৈ পৰো।

এই খণ্ডত, তোমালোকে বেদাংগী কুলকাৰ্ণীক লগ পাবা যি চাইকেল চলাই ইমান ভাল পাইছিল যে তেওঁ বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ চাইকেল চলোৱা সৰ্বকনিষ্ঠ মহিলা হৈ পৰিছিল!

ন বছৰীয়া কৃষ্ণীল অনিল ৰুবিকছ কিউবৰ প্ৰতি ইমানেই আকৰ্ষিত হৈছিল যে তেওঁ ইয়াক কলালৈ পৰিৱৰ্তন কৰিছিল। জিগৰ থাক্কাৰৰ চেৰিব্ৰেল পালছি ৰোগৰ সৈতে জন্ম হৈছিল যদিও তেওঁ এজন পুৰস্কাৰ প্ৰাপ্ত পেৰা সাঁতোৰবিদ হৈ পৰিছিল।

কিছুমান প্ৰাপ্তবয়স্ক লোকেও অগতানুগতিক পদক্ষেপ গ্ৰহণ কৰি জনগণৰ মাজত হাঁহি বিয়পাবলৈ সক্ষম হৈছে। মীৰা শ্বিনয়ে বিশেষভাৱে সক্ষম লোকসকলক শক্তিশালী কৰাৰ কাম কৰি আহিছে, শ্ৰীধৰ ভেম্বুৰে গ্ৰাম্য ভাৰতৰ যুৱ-প্ৰজন্মক শক্তিশালী কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

মাত্ৰ মনত ৰাখিবা, তোমালোকৰ পচন্দই তোমালোকৰ জীৱনৰ মানদণ্ড বৃদ্ধি কৰি তোলে। হৃদয়ৰ কথা শুনা, আৰু সঠিকভাৱে পচন্দ কৰা।

সূচীপত্ৰ

1	বদাউত গাওঁ	3
2	চন্দ্ৰকান্ত কুলকাৰ্ণী	5
3	চিন্ময় আৰু প্ৰদন্যা পাটনকাৰ	7
4	হীৰামন কোৰৱা	10
5	জিগৰ থাক্কাৰ	13
6	কৃষ্ণীল অনিল	16
7	মাদুৰাই চিন্না পিল্লাই	18
8	মীৰা শ্বিনয়	21
9	ৰিংফামি ইয়ং	24
10	শ্ৰীধৰ ভেম্বু	27
11	বেদাংগী কুলকাৰ্ণী	30

বদাউত গাওঁ

সেয়া আছিল বিজ্ঞানৰ শ্ৰেণী আৰু ছাত্ৰ-ছাত্ৰীসকলে নৰ্দমা নিষ্কাষণৰ বিষয়ে শিকি আছিল।
যদি নৰ্দমাৰ পানী সঠিকভাৱে নিষ্কাষণ কৰা নহয়, তেন্তে ৰোগ বিয়পিব পাৰে।
যোৱা মাহত আমাৰ ঘৰৰ ওচৰৰ নৰ্দমাৰ পাইপ ফাটি গৈছিল। বৰ লেতেৰা আছিল!
তোমালোকে সেই গোন্ধৰ সৈতে কিদৰে আছিলা?
তোমালোকে এক বিৰতি লৈ এটা মন কি বাতৰ কাহিনী শুনিব বিচাৰানে?
নিশ্চয়!
হয়!
হাৰিয়ানাৰ পঞ্চকুলাৰ বদাউত গাঁৱত -
উহ! সেই উপচি পৰা নৰ্দমাটোৰ পৰা ইমান বেয়া গোন্ধ আহিছে।
মোৰ সন্তান প্ৰায়ে অসুস্থ হৈ থাকে। মই নিশ্চিত যে লেতেৰা পানীৰ বাবেই এনে হৈছে।
গাওঁখন কিছুদিন ধৰি নৰ্দমাৰ পানী নিষ্কাষণৰ সমস্যাৰ সন্মুখীন হৈছিল।
ইয়াৰ পৰা শাক-পাচলি কিনিবলৈ মন নাই। এই সকলোবোৰ ইমান লেতেৰা!
কিন্তু গোটেই গাওঁখনেই এনেকুৱা। আমিনো কি কৰিম?


গ্ৰাম পঞ্চায়তে* বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব দিছিল
সৰপঞ্চ জী, গাওঁখনত ইমান বেমাৰ-আজাৰ হৈছে। নৰ্দমাৰ পানী নিষ্কাষণৰ বাবে আমি এটা উপায় উলিওৱা উচিত।
মই সহমত। আমি পুঁজি বা সহায়ৰ বাবে অপেক্ষা নকৰাই ভাল হ'ব। আমি নিজেই কিবা এটা কৰিব লাগিব।
কেইবাখনো সভাৰ পিছত লাহে লাহে এটা সমাধান ওলাবলৈ ধৰিলে।
যদি আমি পাইপ ব্যৱহাৰ কৰি সকলো নৰ্দমাৰ পানী এঠাইত সংগ্ৰহ কৰো, তেন্তে নিষ্কাষণ কৰা সহজ হ'ব।
হয়, আমি ইয়াক ঘৰৰ পৰা আঁতৰত গাওঁৰ বাহিৰত সংগ্ৰহ কৰিব পাৰো।
সেই পানী আমি ফিল্টাৰ নকৰো কিয়? ফিল্টাৰ কৰিলে আমি সেই পানী কৃষি কাৰ্যত ব্যৱহাৰ কৰিব পাৰিম।
সেইটো এটা সুন্দৰ চিন্তা!
পঞ্চায়তে, গাওঁবাসীৰ সমৰ্থনত, পৰিকল্পনাটো ৰূপায়ণ কৰাৰ বাবে কাম আৰম্ভ কৰিছিল।
সোনকালেই -
গাওঁখন কিমান পৰিষ্কাৰ হৈ পৰিছে চোৱা!
হয়, পঞ্চায়তে যিদৰে এই সমস্যাটো সমাধান কৰিলে আৰু সকলোৱে যিভাৱে তেওঁলোকক সমৰ্থন কৰিবলৈ একত্ৰিত হ'ল তাক লৈ মই গৌৰৱান্বিত!
প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ৰেডিঅ' অনুষ্ঠান মন কি বাতত বদাউতৰ লোকসকলক প্ৰশংসা কৰিছিল।

*গাঁৱৰ পৰিষদ

চন্দ্ৰকান্ত কুলকাৰ্ণী



*ইছলামৰ অনুগামীসকলে পালন কৰা এক প্ৰকাৰৰ দান


এদিন -
মোক প্ৰতিমাহে ইমান টকাৰ প্ৰয়োজন নাই। মই ইয়াৰে এক অংশ এটা ভাল কামৰ বাবে দান দিয়া উচিত হ'ব।
তেওঁ পেঞ্চনৰ এটা অংশ স্বচ্ছ ভাৰত অভিযানলৈ দান কৰিবলৈ আৰম্ভ কৰিলে। এই অভিযান হৈছে চৰকাৰ-পৰিচালিত দেশব্যাপী পৰিচ্ছন্নতা কাৰ্যসূচী।
মই কিছুমান পোষ্ট-ডেটেড চেক সাজু কৰি ৰাখিম, যাতে মই নিয়মীয়াকৈ দান কৰিব পাৰো।
চন্দ্ৰকান্তই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ তেওঁৰ দানৰ বিষয়ে লিখিছিল।
এই মহান অৱদানৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰিবলৈ প্ৰধানমন্ত্ৰী মোদীয়ে পুনা ভ্ৰমণৰ সময়ত চন্দ্ৰকান্ত আৰু তেওঁৰ পৰিয়ালৰ সৈতে সাক্ষাৎ কৰিছিল।
মহাশয়, ইয়াত অভিযানৰ বাবে 52 খন চেক আছে। মই দেশৰ বাবে কিঞ্চিতমান দান কৰিব খোজো।
আপুনি এজন প্ৰকৃত নায়ক, চন্দ্ৰকান্ত জী।
তেওঁ এই কাৰণৰ বাবে 2,60,000 টকাৰো বেছি ধন দান কৰিছে।
প্ৰধানমন্ত্ৰীৰ ৰেডিঅ' অনুষ্ঠান মন কি বাততো চন্দ্ৰকান্তৰ অৱদানৰ বিষয়ে উল্লেখ কৰা হৈছিল।
আমাৰ বাবে চন্দ্ৰকান্ত কুলকাৰ্ণীতকৈ অধিক উত্তম অনুপ্ৰেৰণাৰ উৎস থাকিব নোৱাৰে। এনে লোকসকলেই আমাৰ প্ৰকৃত শক্তি।

চিন্ময় আৰু প্ৰদন্যা পাটনকাৰ





*আমেৰিকাৰ এখন প্ৰদেশ



*আন্তৰ্জাতিক যোগ দিৱস

হীৰামন কোৰৱা



ছাত্ৰ-ছাত্ৰীসকল সেইদিনাৰ মন কি বাতৰ কাহিনী শুনিবলৈ সাজু হৈ আছিল।
আমি এইমাত্ৰ আমাৰ সংস্কৃত পৰীক্ষা শেষ কৰিছো, ছাৰ। এতিয়া এটা ভাল কাহিনী শুনিবলৈ পালে বৰ ভাল লাগিব।
সেয়া সঁচা! আজিকালি কোনেও সংস্কৃত নকয়। আমি সংস্কৃত কিয় শিকিব লাগে?
সংস্কৃত ভাষা কিছুমান ঠাইত ব্যৱহাৰ হয়। ইয়াৰোপৰি, এই ভাষা নিশিকিলে আমি আমাৰ প্ৰাচীন গ্ৰন্থসমূহ কেনেকৈ পঢ়িম?
ৰামায়ণ আৰু মহাভাৰতৰ দৰে গ্ৰন্থ?
হয়। ভাৰতত এনে বহুতো ভাষা আছে যিবিলাক বিলুপ্ত হোৱাৰ আশংকা আছে কাৰণ সেইবোৰ কোনেও ব্যৱহাৰ নকৰে। এই কথাই ঝাৰখণ্ডৰ চিনজু গাঁৱৰ হীৰামন কোৰৱাক চিন্তিত কৰি তুলিছিল।
হীৰামন কম বয়সতেই নিজৰ জনজাতিৰ ভাষাৰ প্ৰতি আকৰ্ষিত হ'বলৈ আৰম্ভ কৰিছিল।
আইতাই কথা পাতি থাকোতে তেওঁৰ কথাত ইমান অভিব্যক্তি থাকে।
সেয়া হৈছে ভাষাৰ শক্তি।



*ঝাৰখণ্ডৰ এখন চহৰ

গোবিন্দ হাইস্কুলৰ অধ্যক্ষই হীৰামনক অধিক অধ্যয়ন কৰিবলৈ উৎসাহিত কৰিছিল। ইফালে, কোৰৱা শব্দৰ সৈতে ডায়েৰীৰ সংখ্যা বাঢ়ি গৈ থাকিল।
এখন মোৰ ছয় নম্বৰ ডায়েৰী।
হীৰামনে 12 বছৰ ধৰি মাতৃভাষাৰ শব্দ সংগ্ৰহ কৰিছিল...
... কিন্তু অভিধান হিচাপে প্ৰকাশ কৰিবলৈ ধন নাছিল। তেওঁ সহকাৰী শিক্ষক হিচাপে কাম কৰিলেও আৰ্থিক সাহাৰ্য বিচাৰিবলগীয়া হৈছিল। অৱশেষত -
আমাৰ সংস্থাই কোৰৱা অভিধানৰ বাবে আৰ্থিক সাহাৰ্য প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে।
আপোনাক বহুত ধন্যবাদ, ছাৰ।
ঝাৰখণ্ডৰ মাল্টি-আৰ্ট এছ'চিয়েচন অফ পালামুয়ে তেওঁক সহায় কৰিবলৈ সন্মত হৈছিল।
50 পৃষ্ঠাৰ এইখন অভিধান মই মোৰ জনজাতিৰ অসংখ্য লোকৰ সৈতে কথা পতাৰ ফল। ইয়াত জীৱ-জন্তু, চৰাই, ৰং, কাপোৰ, ঘৰুৱা সামগ্ৰী আৰু আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত সকলো বস্তুৰ নাম আছে।
এটা সম্প্ৰদায়ৰ পৰিচয় হ'ল ইয়াৰ ভাষা আৰু সংস্কৃতি। ইয়াক পাহৰি গ'লে আমি আমাৰ পৰিচয় হেৰুৱাই পেলাম।

জিগৰ থাক্কাৰ

কি হ’ল, চৰণ?
মই স্থানীয় বাস্কেটবল দলত যোগদান কৰিব খুজিছিলো, ছাৰ। কিন্তু নোৱাৰিলো, কাৰণ মই হেনো যথেষ্ট ওখ নহয়।
হতাশ নহ’বা, চৰণ। তেওঁলোকক ভুল প্ৰমাণ কৰা। মই তোমাক জিগৰ থাক্কাৰ নামৰ এজন যুৱকৰ বিষয়ে কও শুনা, যি বহু সমস্যা অতিক্ৰমি পুৰস্কাৰ প্ৰাপ্ত সাঁতোৰবিদ হৈ পৰিছিল।
জিগৰ থাক্কাৰৰ জন্ম হৈছিল 1994 চনৰ জুন মাহত গুজৰাটৰ ৰাজকোটত । কেইমাহমানৰ ভিতৰতে তেওঁৰ পিতৃ-মাতৃৰ আনন্দ চিন্তাত পৰিণত হৈছিল।
ইয়াৰ ভৰিকেইটা শক্তিশালী নহয় যেন অনুভৱ হয়। প্ৰায়ে পৰি যায়।
তেওঁৰ বয়স ন মাহ হোৱাৰ পিছত –
মই দুঃখিত যে জিগৰৰ চেৰিব্ৰেল পালচি নামৰ এটা বিকাৰ আছে।
তাৰ অৰ্থ কি?
ইয়াৰ অৰ্থ হৈছে যে তেওঁৰ মগজুৱে তেওঁৰ শৰীৰক সঠিকভাৱে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। খোজ কঢ়া আৰু ঘূৰি ফুৰাটো তেওঁৰ বাবে এটা সমস্যা হ’ব। আনকি তেওঁৰ ভাৰসাম্যও প্ৰভাৱিত হ’ব।
গতিকে তেওঁ কেতিয়াও স্বতন্ত্ৰ নহ’ব?
তেওঁ হ’ব। আমি সেইটো নিশ্চিত কৰিম।
হতাশ হোৱাৰ পৰিৱৰ্তে, জিগৰৰ পিতৃ-মাতৃয়ে তেওঁক ফিজিঅ’থেৰাপিষ্টৰ ওচৰলৈ লৈ যাবলৈ আৰু ব্যায়াম কৰাবলৈ আৰম্ভ কৰিলে।


যেতিয়া জিগৰৰ বয়স আঠ বছৰ আছিল -
তেওঁৰ বেছ উৎসাহী কিন্তু যদি আমি তেওঁ পছন্দ কৰা খেল বিচাৰি পাও তেন্তে সহায়কৰ হ'ব। তেওঁৰ পেশী শক্তিশালী হৈ উঠিব।
তেওঁলোকে কেইবাটাও খেল চেষ্টা কৰি চালে, কিন্তু সফল নহ'ল।
তাৰপিছত, ফিজিঅ'থেৰাপিষ্টে সাঁতুৰিবলৈ পৰামৰ্শ দিলে।
নহয়। আমি তেওঁক চুইমিং পুলত সুৰক্ষা দিব নোৱাৰিম। তেওঁ ডুব যাব পাৰে!
যদি মই প্ৰথমে সাঁতুৰিবলৈ শিকো, তেন্তে মই সকলো সময়তে তেওঁৰ সৈতে পানীত থাকিব পাৰিম।
জিগৰৰ মাকে সাঁতুৰিবলৈ শিকিলে আৰু সোনকালেই, জিগৰো পানীত নামিল!
হি হি হে!
ই সাঁতুৰিবলৈ ভাল পাইছে!
খল-খল
খল-খল
পৰৱৰ্তী বছৰতে, জিগৰে জিলা পৰ্যায়ৰ সাঁতোৰ প্ৰতিযোগিতাত তেওঁৰ বিদ্যালয়ক প্ৰতিনিধিত্ব কৰিছিল।
আপুনি বিশ্বাসেই কৰিবনে যে সেই বহি থকা লৰাটোৱে শৰীৰৰ 40% নিয়ন্ত্ৰণ কৰিব নোৱাৰে? তেওঁ সক্ষম শিশুৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছে।
14 বছৰ বয়সলৈকে জিগৰ অতি অনুপ্ৰেৰিত আৰু উচ্চাকাংক্ষী হৈ পৰিছিল।
মই ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচাৰো। মই ইন্টাৰনেটত গৱেষণা কৰিছিলো, আৰু জিমলৈ গ'লে মোৰ প্ৰস্তুতিত সহায় হ'ব।
অতি সোনকালেই জিগৰে এক ৰুটিন মানি চলিবলৈ ধৰিলে। তেওঁ ৰাতিপুৱা সাঁতোৰে, স্কুললৈ যায়, জিমত প্ৰশিক্ষণ লয় আৰু তাৰপিছত পুনৰ সাঁতোৰৰ অনুশীলন কৰিবলৈ যায়।



*ইন্টাৰনেচনেল ডয়চে মেইষ্টাৰচাফটেন, জাৰ্মানীৰ দ্বাৰা আয়োজিত এক পেৰা সাঁতোৰ বিশ্ব চেম্পিয়নশ্বিপ।

কৃষ্ণীল অনিল



*মালায়ালমত মা
^মালায়ালমত পিতৃ

দেশৰ পতাকাৰ দৰে সৰল আৰ্হিৰে আৰম্ভ কৰি...
... কৃষ্ণীলে সোনকালেই সম্পূৰ্ণ মোজাইক প্ৰতিকৃতি নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিল।
তেওঁ তেওঁৰ বন্ধুবৰ্গ, শিক্ষক আৰু আনকি খেলুৱৈ আৰু চলচ্চিত্ৰ তাৰকাসকলৰ প্ৰতিকৃতি নিৰ্মাণ কৰিছে।
ইয়াৰে কিছুমান লোকে তেওঁৰ কলা ছচিয়েল মিডিয়াত ভাগ-বতৰা কৰাৰ ফলত তেওঁ জনপ্ৰিয়তা লাভ কৰে।
কৃষ্ণীলে ৰাহুল গান্ধী আৰু প্ৰধানমন্ত্ৰী মোদীৰ মোজাইক প্ৰতিকৃতিও নিৰ্মাণ কৰিছে। ৰাহুল গান্ধীয়ে তেওঁক সাক্ষাত কৰিছে আৰু প্ৰধানমন্ত্ৰী মোদীয়ে মন কি বাতত তেওঁৰ বিষয়ে উল্লেখ কৰিছিল
3X3 ৰুবিকছ কিউব আয়ত্ত কৰাৰ পিছত, তেওঁ সকলো আকৃতি আৰু আকাৰৰ কিউব সমাধান কৰিবলৈ শিকিছিল।
তেওঁৰ ইউটিউব চেনেল 'কৃষ্ণীল অনিল'ত প্ৰায় 200 টা ভিডিঅ' আছে। ইয়াত তেওঁৰ মোজাইক প্ৰতিকৃতিৰ টাইম-লেপছ ভিডিঅ', বিভিন্ন কিউবৰ ভিডিঅ' সমীক্ষা, আৰু ৰুবিকছ কিউব সমাধান কৰাত সহায় কৰাৰ বাবে সহায়ক ভিডিঅ' আছে।
প্ৰথমে, আপুনি এফালে ক্ৰছ বনাব লাগিব।
বৰ্তমান ন বছৰীয়া কৃষ্ণীলে কিউবিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে আৰু এদিন এজন খেলুৱৈ হিচাপে উচ্চ স্থানত উপনীত হোৱা লক্ষ্য স্থিৰ কৰিছে।

মাদুৰাই চিন্না পিল্লাই

*মহাশয়

*তামিলনাড়ুত
^তামিলত ইয়াৰ অৰ্থ 'শস্যভাণ্ডাৰ' আৰু 'সমৃদ্ধি' দুয়োটাই হয়


চিন্নাই মহিলাসকলক শিক্ষিত কৰিছিল আৰু গাঁৱে-গাঁৱে কাৰ্যসূচীটোৰ কথা প্ৰচাৰ কৰিছিল।
আমি কেইবছৰমানৰ পৰা এনে কৰি আহিছো। আমি এতিয়া আনৰ ওপৰত নিৰ্ভৰশীল নহয়।
আমিও আৰম্ভ কৰা উচিত!
হয়।
প্ৰশংসনীয় কামৰ বাবে, চিন্না কলঞ্জিয়ামৰ কাৰ্যকৰী সমিতিৰ সদস্যও হৈছিল।
আপোনাৰ বাবে, বহুতো মহিলাই এই কাৰ্যসূচীত যোগদান কৰিছে আৰু ৰাজ্যজুৰি গোট সৃষ্টি কৰিছে।
দশকজুৰি, এই আন্দোলন তামিলনাডু, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু পুডুচেৰীৰ শ শ গাঁৱত বিয়পি পৰিছে।
মাইক্ৰ'ফাইনেন্স আৰু কমিউনিটি বেংকিঙৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে চিন্না পিল্লায়ে 1999 চনত স্ত্ৰী শক্তি পুৰস্কাৰ প্ৰাপ্ত কৰিবলৈ সক্ষম হৈছিল।
তেওঁৰ কাহিনীত অভিভূত হৈ তেতিয়াৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে তেখেতৰ চৰণ স্পৰ্শ কৰিছিল।
তেখেতক 2019 চনত পদ্মশ্ৰী বঁটাও প্ৰদান কৰা হৈছিল।
তামিলনাডুৰ এখন সৰু গাঁৱৰ এগৰাকী নিৰক্ষৰ খেতিয়ক, চিন্না পিল্লাই দেশৰ এনে লাখ লাখ লোকৰ বাবে এক অনুপ্ৰেৰণা যিসকলে জীৱনৰ ঘাত-প্ৰতিঘাতৰ সৈতে সাহসেৰে যুঁজ কৰি আহিছে।

মীৰা শ্বিনয়



শ্ৰেয়াস, তুমি ইমান মনোযোগেৰে কি পঢ়ি আছা?
এইটো আটাইতকৈ ৰোমাঞ্চকৰ কাহিনী, সোনাল! এয়া অৰুণিমা সিনহাৰ বিষয়ে, যাক চলন্ত ৰেলৰ পৰা পেলাই দিয়াৰ সময়ত এটা ভৰি হেৰুৱাইছিল...
... আৰু তথাপিও তেওঁ মাউণ্ট এভাৰেষ্টত আৰোহণ কৰিছিল!
বিশেষভাৱে সক্ষম বহু ব্যক্তিয়ে জীৱনত সফলতা লাভ কৰিছে। মীৰা শ্বিনয় হৈছে এনে এগৰাকী মহিলা যি বিশেষভাৱে সক্ষম লোকসকলক সপোন দেখিবলৈ অনুপ্ৰাণিত কৰি আহিছে।
মীৰা ডাঙৰ হওতে দুজন ব্যক্তিয়ে তাইক অনুপ্ৰাণিত কৰিছিল। তেওঁৰ ককাদেউতাক...
মীৰা মনত ৰাখিবা, তুমি সেইসকল লোকক তোমাৰ উপাৰ্জনৰ দহ শতাংশ দিব লাগিব, যাক সহায়ৰ প্ৰয়োজন হৈছে।
... যি এজন উদাৰ হৃদয়ৰ সৰল ব্যক্তি আছিল...
... আৰু তেওঁৰ মাক, যি শ্বেয়াৰ বজাৰলৈ যাবলৈ শিকিছিল আৰু উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা ক্ষুদ্ৰ সম্পদক এক বেছ ডাঙৰ পৰিমাণলৈ ৰূপান্তৰিত কৰিছিল।
বিয়াৰ পিছত মই চিকিৎসা বিজ্ঞান অধ্যয়ন কৰাৰ সুযোগ হেৰুৱাইছিলো। কিন্তু তোমালোক ছোৱালীবোৰে যি বিচাৰা তাকেই কৰিবলৈ সক্ষম হোৱা উচিত।


ডাঙৰ হোৱাৰ পিছত মীৰাই দৰিদ্ৰ গ্ৰাম্য যুৱক-যুৱতীসকলক ভাৰতৰ আত্মবিশ্বাসী নাগৰিকলৈ পৰিৱৰ্তন কৰিব খুজিলে।
এজন কৃষক হোৱাত কি সমস্যা আছে? ময়ো এজন কৃষক, তোমাৰ ককাদেউতাও এজন কৃষক আছিল...
সেই কথাই কৈছো! ইয়াৰ বাবেই আমি এতিয়াও দৰিদ্ৰ হৈ আছো।
তেওঁলোকে গাওঁত দৰিদ্ৰতা আৰু ভোক দেখিছে, আনহাতে তেওঁলোকক চিনেমাত মটৰচাইকেল আৰু আকৰ্ষণীয় কাপোৰৰ সৈতে চহৰৰ যুৱক-যুৱতী দেখুওৱা হৈছে। তেওঁলোকক উচিত পথ নেদেখুৱালে ভুল পথ ল’ব পাৰে।
মীৰাই 2005 চনত অন্ধ্ৰপ্ৰদেশ চৰকাৰৰ হৈ ভাৰতৰ প্ৰথম দক্ষতা-বিকাশ অভিযান আৰম্ভ কৰিছিল। ইয়াৰ নাম আছিল এমপ্লয়মেণ্ট জেনেৰেচন এণ্ড মাৰ্কেটিং মিছন (ইজিএমএম)।
মীৰা নানা অসুবিধাৰ সন্মুখীন হৈছিল যদিও কঠোৰ পৰিশ্ৰমৰ দ্বাৰা ইজিএমএমক সফল কৰি তুলিছিল। তাৰপিছত, এদিন -
এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে বিশ্বৰ ৪০% বিশেষভাৱে-সক্ষম যুৱক-যুৱতী ভাৰতৰ দৰে উন্নয়নশীল দেশত আছে।
আমাক এটা ভাল কাৰ্যসূচীৰ প্ৰয়োজন যি বিশেষভাৱে-সক্ষম যুৱক-যুৱতীসকলক চাকৰি পোৱাত সহায় কৰিব। সুবোধ, তুমি কি ভাবা?
এইটো এটা ভাল চিন্তা।
মীৰাৰ স্বামী ডঃ সুবোধ শ্বিনয় হ’ল এজন প্ৰখ্যাত পদাৰ্থবিজ্ঞানী।
মই প্ৰথমে এনে লোকসকলক লগ ধৰিব লাগিব যি বিশেষভাৱে-সক্ষম হোৱা স্বত্বেও সফল হৈছে।
এজন বিশেষভাৱে-সক্ষম ব্যক্তিক সফল হ’বলৈ কিহে অনুপ্ৰাণিত কৰে সেই বিষয়ে মীৰাই বহু কথা শিকিছিল। ‘ইউ কেন’ শীৰ্ষক কিতাপখন এক গুৰুত্বপূৰ্ণ অনুপ্ৰেৰণামূলক কিতাপ হৈ পৰিছিল।



*কলা
**কৃত্ৰিম বুদ্ধিমত্তা
^খোৰা

ৰিংফামি ইয়ং



*বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ (চিএছআইআৰ) আৰু হিমালয়ান জৈৱ-সম্পদ প্ৰযুক্তি প্ৰতিষ্ঠানৰ (আইএইচবিটি) দ্বাৰা এক যৌথ কাৰ্যসূচী

হয়, কিন্তু এতিয়া বহুতো প্ৰকাৰৰ আপেল উপলব্ধ।
এক ‘কম শীতল’ প্ৰকাৰৰ আপেল আছে যাৰ বাবে পৰম্পৰাগত ঠাণ্ডা পৰিবেশৰ প্ৰয়োজন নাই। আমি আপোনাক সেইবিষয়ে বৰ্ণনা কৰিম।
Training Programme
entific and Industrial Research
and OF Himalayan
resou nology (IHBT)
MENT INDIA.
তথাপিও কোনো নিশ্চয়তা নাই যে আপেলৰ খেতি হ’ব। কোনে এনে বিপদ চপাই ল’ব?
বেছিভাগ লোকেই আশ্বস্ত হোৱা নাছিল, কিন্তু ৰিংফামিয়ে এনে আপেলৰ বিষয়ে যিমান পাৰে জানি লৈছিল।
পৰৱৰ্তী বছৰৰ আৰম্ভণিতে, মহামাৰীৰ আক্ৰমণ আৰম্ভ হৈছিল।
যিহেতু আমি এতিয়া ঘৰত থাকিব লাগিব, কম শীতল আপেলৰ খেতি কৰিবলৈ চেষ্টা কৰি চাও আহা।
হয়। পৰীক্ষা-নিৰীক্ষাৰ বাবে এইটো এটা ভাল সময়।
চৰকাৰৰ সমৰ্থনত, ৰিংফামি আৰু আন কেইজনমানে আন্না, ডৰছেট গোল্ডেন আৰু অন্য কম শীতল প্ৰকাৰৰ আপেলৰ পুলি ৰোপণ কৰিছিল।
এই পুলিবোৰক যথেষ্ট প্ৰতিপালনৰ প্ৰয়োজন হ’ব।
ঠিক কথা, আমাৰ ওচৰত তেনে কৰিবলৈ যথেষ্ট সময় আছে।
দম্পতীটোৱে পুলিবোৰৰ পৰ্যাপ্ত যত্ন লৈছিল। পুলিবোৰ বাঢ়িবলৈ ধৰিলে...
মই 90 টা পুলি ৰোপণ কৰিছিলো আৰু তাৰে 45 টা জীয়াই আছে।


... আৰু ফুলিবলৈ ধৰিছে। 2021 চনত -
আপেল! ইমানবিলাক!
প্ৰথম বছৰতে, তেওঁলোকে প্ৰায় 200 কিলোগ্ৰাম আপেল উৎপাদন কৰিছিল!
তাকো এনে এটা এলেকাত য'ত কেতিয়াও আপেলৰ খেতি হোৱা নাছিল!
এইটো এক আলৌকিক ঘটনা!
এই সাফল্য উদযাপন কৰিবলৈ, ৰিংফামিয়ে বেছিভাগ আপেল তেওঁৰ বন্ধুবৰ্গ আৰু পৰিয়ালৰ মাজত বিতৰণ কৰিছিল।
মন কি বাতত ৰিংফামিয়ে প্ৰশংসা লাভ কৰিছিল আৰু মুখ্যমন্ত্ৰী এন বীৰেণ সিঙেও তেওঁৰ শলাগ লৈছিল।
এই পুষ্টিকৰ ফল দেখি মই বৰ সুখী হৈছো। আপুনি এক ৰিস্ক লৈছিল, আৰু আপোনাৰ সফলতাই আমাৰ উদ্যানশস্য খণ্ডৰ বাবে আশা কঢ়িয়াই আনিছে।
তেওঁ এক আৰ্থিক পুৰস্কাৰো লাভ কৰিছিল।
এই ধনেৰে, আমি আমাৰ আপেলৰ খেতি সম্প্ৰসাৰিত কৰিব পাৰো।
আমাক উখৰুলত শীতল ভঁৰাল আৰু খাদ্য সংসাধনৰ সা-সুবিধাৰ প্ৰয়োজন হ'ব। ই আমাৰ লগতে আন কৃষকসকলকো সহায় কৰিব। আমাৰ উৎপাদিত সামগ্ৰী অধিক সময় ধৰি সতেজ হৈ থাকিব আৰু বজাৰত উপলব্ধ কৰিব পৰা যাব।
ৰিংফামিয়ে এতিয়া আন কৃষকসকলক আপেল খেতিৰ প্ৰশিক্ষণ দিবলৈ পৰিকল্পনা কৰিছে যাতে মণিপুৰে নিজৰ ঘৰুৱা আপেলক লৈ গৌৰব কৰিব পাৰে।

শ্ৰীধৰ ভেম্বু

*পিতৃ

^আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউ জাৰ্চীৰ এখন সন্মানীয় বিশ্ববিদ্যালয়।


শ্ৰীধৰ এক উদ্যোগী মনোভাৱৰো গৰাকী আছিল। 1996 চনত –
আমি আৰু কিমান দিন আনৰ বাবে কাম কৰি থাকিম? আমি নিজৰ কোম্পানী আৰম্ভ নকৰো কিয়?
আমি ভাতৃৰ-পৰা-ব্যৱসায়িক অংশীদাৰ হম!
একেলগে, তেওঁলোকে এডভেন্টনেট নামৰ এটা ছফ্টৱেৰৰ ডেভেলপমেন্ট কোম্পানী আৰম্ভ কৰিলে
শ্ৰীধৰ আৰু তেওঁৰ পৰিয়ালে উন্নতিৰ জখলাইদি বাট বুলিবলৈ ধৰিলে।
আমাৰ কোম্পানীৰ ৰাজহ চাৰি বছৰৰ ভিতৰতে দহ মিলিয়ন ডলাৰ অতিক্ৰম কৰিছে!
এতিয়া আমাৰ সন্মুখত কোনো বাধা নাই!
2009 চনত কোম্পানীটোৰ নাম জোহো কৰ্পোৰেচনলৈ সলনি কৰা হ'ল। পৰৱৰ্তী দশকৰ ভিতৰত, ই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু সমগ্ৰ বিশ্বতে এক প্ৰতিষ্ঠিত প্ৰযুক্তি প্ৰতিষ্ঠান হৈ পৰিল।
অৱশ্যে, ব্যৱসায় আৰু লাভতকৈ কিছুমান অধিক গুৰুত্বপূৰ্ণ কথা ভেম্বুৰ মনলৈ আহিছিল।
যদি মই মোৰ দেশক সহায় কৰিব নোৱাৰো তেন্তে এই সকলো সফলতাৰ অৰ্থ কি? মই দেশলৈ ঘূৰি যাবই লাগিব। মোৰ সম্পদ ব্যৱহাৰ কৰি নিযুক্তিৰ সৃষ্টি কৰিব লাগিব আৰু ছফ্টৱেৰৰ খণ্ডত ভাৰতক স্বাৱলম্বী কৰাত সহায় কৰিব লাগিব।
সোনকালেই –
মই বিচাৰো যে আমি ভাৰতলৈ ঘূৰি যাও। মই তামিলনাডুৰ মাথালামপাৰাই গাঁৱত আমাৰ কাৰ্যালয় খুলিব বিচাৰো।
মই ভাৰতলৈ ঘূৰি যাবলৈ পালে ভাল পাম।
কিন্তু আমি এখন গাওঁৰ পৰা আমাৰ কাম-কাজ কেনেকৈ চলাম?
ডাঙৰ চহৰবোৰত অত্যাধিক ভিৰ হোৱাৰ লগতে প্ৰদূষণো অধিক। গ্ৰাম্য অঞ্চলত যথেষ্ট প্ৰতিভা আছে। আমি ভাৰতৰ প্ৰতিটো অংশতে সা-সুবিধাৰ সৃষ্টি কৰিব লাগিব।



*30,000 কোটিতকৈ অধিক

বেদাংগী কুলকাৰ্ণী



তোমালোকৰ কিমানে প্ৰতিদিনে চাইকেল চলাই বিদ্যালয়লৈ আহা?
মই আহো, ছাৰ।
ময়ো
ময়ো চলাও
আজি, মই তোমালোকক বেদাংগী কুলকাৰ্ণী নামৰ এগৰাকী যুৱতীৰ বিষয়ে কম, যি বিশ্বজুৰি চাইকেল চলোৱা সৰ্বকনিষ্ঠ মহিলা হৈ পৰিছিল।
বেদাংগী কুলকাৰ্ণীৰ জীৱন আছিল আকৰ্ষণীয়। তাই ঘৰৰ ভিতৰত যিমান সময় অতিবাহিত কৰিছিল, সিমান সময় বাহিৰতো কটাইছিল।
হু, খোজকাঢ়ি বৰ ভাল লাগিল।
দৃশ্যটো ইমান ধুনীয়া!
17 বছৰ বয়সত বেদাংগীয়ে মাক-দেউতাকৰ সহায়ত হিমালয়ৰ এমূৰৰ পৰা সিমূৰলৈ চাইকেল চলোৱাৰ সিদ্ধান্ত লয়।
এই পুস্তিকা অনুসৰি, তাই ভ্ৰমণত যোগদান কৰিবলৈ যথেষ্ট সৰু।
আমি গাড়ীৰে অনুসৰণ কৰিম। সুৰক্ষা প্ৰদান কৰাও হ'ব আৰু তাই স্বতন্ত্ৰ অনুভৱো কৰিব।
আঠ সপ্তাহ আৰু 767 কিলোমিটাৰ - বেদাংগীয়ে মানালিৰ পৰা শ্ৰীনগৰলৈ চাইকেল চলাইছিল।
হুম, পৰৱৰ্তী যাত্ৰাত মই ক'লৈ যাম?


স্কুল শেষ কৰাৰ পিছত, তাই স্পৰ্টছ মেনেজমেণ্ট অধ্যয়ন কৰিবলৈ ইংলেণ্ডলৈ যায়। মানুহ, ঠাই, সংস্কৃতি - এই সকলোবোৰ ভিন্ন আৰু বিভ্ৰান্তিকৰ আছিল।
মোৰ ইয়াত বন্ধুত্ব হ'বনে? মই এই ঠাইত কেনেকৈ খাপ খাব পাৰিম?
এটা বস্তুৰেই পৰিৱৰ্তন হোৱা নাছিল, আৰু সেয়া হ'ল বাহিৰৰ পৃথিৱীত নতুন অভিযানৰ আকাংখ্যা।
বেদাংগীয়ে মুকলি আকাশৰ তলত চাইকেল চলোৱাৰ লগে লগে তাইৰ সকলো চিন্তা দূৰ হৈ যায়। তাই মুক্ত অনুভৱ কৰে।
মই সমগ্ৰ বিশ্বতে চাইকেল চলাব বিচাৰো আৰু দ্ৰুততম ৰেকৰ্ড স্থাপন কৰিব পাৰোনে নোৱাৰো চেষ্টা কৰি চাব খোজো।
বেদাংগীৰ সিদ্ধান্তই তাইৰ জীৱন সলনি কৰিবলৈ লৈছিল।
কলেজৰ অধ্যয়ন অব্যাহত ৰাখি, তাই আগতকৈ অধিক কঠিন প্ৰশিক্ষণ আৰম্ভ কৰিলে।
সফল হ'বলৈ মই শাৰীৰিক আৰু মানসিক শক্তি বৃদ্ধি কৰিব লাগিব।
পথবোৰ চিহ্নিত কৰা হ'ল, কাগজপত্ৰ প্ৰস্তুত কৰা হ'ল, আৰু অভিযানৰ বাবে এখন নতুন চাইকেল নিৰ্মাণ কৰা হ'ল।
একেবাৰে নিখুঁত! মই এইখনৰ নাম কাপুচিনো ৰাখিম।
17 জুলাই, 2018 তাৰিখে, বেদাংগীয়ে যাত্ৰা আৰম্ভ কৰে।
অষ্ট্ৰেলিয়াৰ পৰা আৰম্ভ কৰি, তাই 14 খন দেশৰ মাজেৰে পেডেল মাৰিছিল।


কানাডাত এটা গ্ৰিজলি ভালুকৰ পৰা কথমপি ৰক্ষা পৰিছিল...
... আৰু স্পেইনত ডকাইতৰ কবলত পৰিছিল...
... ৰাছিয়াত হিমশীতল বৰফত শিবিৰ পাতিছিল...
... এই অভিযান সহজ নাছিল।
কিন্তু, বহুক্ষেত্ৰত ই লাভজনক আছিল। তাই নতুন বন্ধু অৰ্জন কৰিছিল...
... নিজৰ সামৰ্থ্যৰ ওপৰত আত্মবিশ্বাস বাঢ়িছিল...
... আৰু যাত্ৰা পথতেই 20 তম জন্মদিন উদযাপন কৰিছিল।
2018 চনৰ 24 ডিচেম্বৰ তাৰিখে, বেদাংগী অষ্ট্ৰেলিয়াত উপনীত হৈ যাত্ৰা শেষ কৰিছিল।
29,000 কিলোমিটাৰ। মই সফল হ'লো।
তেওঁ এই যাত্ৰা সমাপ্ত কৰা বিশ্বৰ দ্ৰুততম মহিলা হ'ব নোৱাৰিলেও সৰ্বকনিষ্ঠ আছিল।
2023 চনত, বেদাংগী লেহ-মানালি ঘাইপথত চাইকেল চলোৱা সবাতোকৈ দ্ৰুততম মহিলা হিচাপে পৰিগণিত হয়। তাই এতিয়া এই অভিজ্ঞতাসমূহৰ বিষয়ে ভাষণ দিয়ে।
চাইকেল চলোৱাটোৱে মোক শিকাইছে যে সহনশীলতা হৈছে এক মানসিক স্থিতি।
তেওঁ 'দ্য এডভেঞ্চাৰ শ্বেড' নামৰ এটা অভিযান মেনেজমেণ্ট কোম্পানী আৰম্ভ কৰিছে, যাতে আন লোকসকলক তেওঁলোকৰ দুঃসাহসিক অভিযানত সহায় কৰিব পাৰে।



মন কী বাত 100
MANN KI BAAT 100

মন কি বাত

খণ্ড - 9

মনোযোগেৰে কাম কৰিলে অসম্ভৱ একো নাই। বিকলাংগতা, দৰিদ্ৰতাই হওক বা শিক্ষা অথবা সম্পদৰ অভাৱেই হওক, মানুহে নিজে লক্ষ্য প্ৰাপ্ত কৰিবলৈ আৰু তেনে কৰাত আনক সহায় কৰিবলৈ বৃহৎ বাধা অতিক্ৰম কৰিছে।

মন কি বাতৰ নৱম খণ্ডটো দেশৰ এনে লোকসকলৰ বিষয়ে যিসকলৰ দৃঢ়তা আৰু সংকল্পৰ শক্তি তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বানতকৈ অধিক আছিল।

20 বছৰ বয়সতে সমগ্ৰ বিশ্বজুৰি চাইকেল চলোৱা সবাতোকৈ কনিষ্ঠতম মহিলা ৰূপে পৰিগণিত হোৱা বেদাংগী কুলকাৰ্ণীৰ পৰা আৰম্ভ কৰি আপেলৰ খেতি অসম্ভৱ বুলি গণ্য কৰা ঠাইত সফলভাৱে এই খেতি কৰি দেখুওৱা ৰিংফামি আৰু এঞ্জেল ইয়ং, আৰু নিজৰ দৰে অসহায় গ্ৰাম্য মহিলাসকলক আৰ্থিকভাৱে স্বতন্ত্ৰ হোৱাত সহায় কৰিবলৈ এটা সামূহিক বেংকিং গোট আৰম্ভ কৰা মাদুৰাই চিন্না পিল্লাইলৈকে, এই কাহিনীবোৰে প্ৰমাণ কৰে যে যদি মনোযোগ দি কাম কৰা যায়, তেন্তে যিকোনো কামেই সম্ভৱ হৈ উঠে।

₹99

www.amarchitrakatha.com
ISBN 978-93-6127-866-2
9 789361 278662